অসমীয়া প্ৰতিদিন
৮ মাৰ্চ/2002

# মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণৰ বাবে ভূঞাপাৰাত সজাগতা সভা

প্ৰতিদিন সেৱা, বৰপেটা, ৭ মাৰ্চ ঃ বৰপেটা জিলাৰ বাঁহবাৰীস্থ প্ৰকৃতিপ্ৰেমী সংগঠন গ্ৰীণ মানাহৰ সৌজন্যত অলপতে ভূঞাপাৰা বন কাৰ্যালয় প্ৰাংগণত মানাহ ৰাষ্ট্ৰীয় উদ্যান সংৰক্ষণাৰ্থে এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। সভাখন সঞ্চালনা কৰে গাঁওবুঢ়া শশীমোহন চৌধুৰীয়ে। সভাখনৰ উদ্বোধনী ভাষণ দিয়ে গ্ৰীণ মানাহৰ প্ৰধান সচিব নিৰঞ্জন বৰ্মনে। সজাগতা সভাত বাঁহবাৰীৰ বনাঞ্চলিক বিষয়া গংগাধৰ বসুমতাৰী, ভূঞাপাৰা বনাঞ্চলিক বিষয়া কৰুণাকান্ত স্বৰ্গীয়াৰী আৰু শালবাৰী আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া কনক বৈশ্য উপস্থিত থাকে। সংৰক্ষণ সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায় চিকন বসুমতাৰী, ফণীন্দ্ৰ বসুমতাৰী, কুমাৰ ব্ৰহ্ম আৰু ধনজিৎ দাসে। সজাগতা সভাত ভূঞাপাৰা ৰেঞ্জৰ নিকটৱৰ্তী গাঁওসমূহৰ প্ৰায় এশজন প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

সভাত ৰাইজে চৰকাৰ বা বিভাগীয় কৰ্তৃপক্ষৰ গাফিলতিৰ বাবে মানাহ ধ্বংসৰ মুখলৈ যোৱা বুলি মুকলিকৈ ক্ষোভ প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিগত বড়ো আন্দোলনত ভূঞাপাৰা বনাঞ্চলিক কাৰ্যালয়টো দুষ্কৃতিকাৰীয়ে ধ্বংস কৰাৰ পিচৰ পৰা বন বিভাগে বৰ্তমানলৈকে কোনো প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰা নাই। অৱশ্যে যোৱা বছৰৰ পৰাহে পৰিত্যক্ত কাৰ্যালয়টোত প্ৰায় দহজনমান বনকৰ্মীয়ে থাকিবলৈ লৈছে। তৎসত্ত্বেও বন কাৰ্যালয়ৰ সন্মুখেৰে প্ৰতিদিনে গড়ে পঞ্চাশখনকৈ ঠেলাৰে চোৰাং ব্যৱসায়ীয়ে চোৰাং কাঠৰ কুণ্ডা আনি থকাটো সৰ্বজনবিদিত। প্ৰাপ্ত অভিযোগমতে স্বয়ং বন বিষয়াগৰাকীয়ে বৰপেটাৰোডস্থ ক্ষেত্ৰ সঞ্চালকৰ কাৰ্যালয়ৰ এটা কোঠা ভূঞাপাৰা বন কাৰ্যালয় হিচাপে ব্যৱহাৰ কৰি অহাৰ লগতে প্ৰায়সংখ্যক বনকৰ্মীয়ে বৰপেটাৰোডতে থাকে। ৰাইজে নিকটৱৰ্তী গাঁওসমূহৰ পৰা মানাহ সংৰক্ষণাৰ্থে এশ শতাংশই নিয়োগৰ ব্যৱস্থা কৰি অতিশীঘ্ৰে ভূঞাপাৰা বনাঞ্চলিক কাৰ্যালয়টো কাৰ্যক্ষম কৰি তুলিবলৈ দাবী জনাইছে।



অসমীয়া প্ৰতিদিন, ৮ মাৰ্চ, 2002

৬ এপ্ৰিল/২০০২



## অৰণ্যম বাৰ্তা

# গ্ৰীণ মানাহৰ উদ্যোগত হাতী সংৰক্ষণৰ বাবে কৰ্মশালা

● 'আমাৰ অসম' অৰণ্যম সেৱা, বাঁহবাৰী

যোৱা ২৫ আৰু ২৬ মাৰ্চত বাঁহবাৰীস্থ 'গ্ৰীণ মানাহৰ সৌজন্যত বাঁহবাৰী হাইস্কুল কুমুৰীঝাৰত দুদিনীয়াকৈ 'এছিয় হাতী সংৰক্ষণ আঁচনি'ৰ অধীনত 'শিক্ষক প্ৰশিক্ষণ কৰ্মশালা'খন অনুষ্ঠিত হৈ যায়। এই প্ৰকল্পটো ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰালয়ৰ অধীনস্থ পৰিৱেশ শিক্ষা কেন্দ্ৰৰ পৃষ্ঠপোষকতাত আৰম্ভ কৰা হৈছে। প্ৰকল্পটোত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ অন্তৰ্গত নিকটৱৰ্তী গাঁও ২৫খনক সামৰি ২০খন প্ৰাথমিক বিদ্যালয় চিনাক্তকৰণ কৰি উক্ত বিদ্যালয়সমূহৰ শিক্ষক বিশজনক লৈ 'কৰ্মশালা'খন অনুষ্ঠিত কৰা হয়। কৰ্মশালাখনত ১৪খন বিদ্যালয়ৰ শিক্ষকসকলে অংশগ্ৰহণ কৰে। প্ৰথমদিনা গ্ৰীণ মানাহৰ তৰফৰ পৰা পৰিৱেশ শিক্ষাৰ ওপৰত আলোচনাচক্ৰ অনুষ্ঠিত কৰে। আলোচনাচক্ৰখন সঞ্চালনা কৰে প্ৰাক্তন মানাহৰ অবৈতনিক বনৰক্ষক ধৰণীধৰ ঔৱাৰীৱে। আলোচনাচক্ৰত বিশিষ্ট ব্যক্তি হিচাপে উপস্থিত থাকে উত্তৰ গোৱৰ্ধনা হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াদ আলী আৰু বাঁহবাৰী হাইস্কুলৰ বিষয় শিক্ষক চিকণ বসুমতাৰীয়ে। আনহাতে, আলোচনাচক্ৰখন উদ্বোধন কৰে মানাহৰ বাঁহবাৰী ৰেঞ্জৰ বন বিষয়া গংগাধৰ বসুমতাৰীয়ে। ইয়াদ আলীয়ে মানাহ সংৰক্ষণত আৰু পৰিৱেশ শিক্ষাৰ ক্ষেত্ৰত শিক্ষকসকলৰ ভূমিকা শীৰ্ষক তত্ত্বগধুৰ ব্যাখ্যা আগবঢ়ায়। আনফালে চিকন বসুমতাৰীয়ে Impect of Ecological Environmentৰ বিস্তৃত ব্যাখ্যা আগবঢ়ায়। দ্বিতীয় দিনাৰ কাৰ্যসূচী আৰম্ভ কৰে উত্তৰ-পূব পৰিৱেশ শিক্ষা কেন্দ্ৰৰ সমন্বয়ক সীমেন দে আৰু সহায়ক প্ৰদীপ বড়োৱে।